OFFICE OF THE
**All Assam Tanzim-Madaris Qawmiya**
*(Board of the non-govt. Madrassa Board)*
P.O. Nilbagan - 782 445, Dist. Nagaon, Assam (India)
Regd. RS/NG/254/108
ESTD. 1955

কাৰ্যালয় ☎ : (03674) 262443
**সদৌ অসম তন্‌জিম মাদাৰিছ কৌমিয়া**
পোঃ নীলবাগান-৭৮২ ৪৪৫, জিলাঃ নগাঁও ঃ অসম ঃ ভাৰত
দূৰভাষ ঃ (০৩৬৭৪) ২৬২৪৪৮
স্থাপিত ঃ ১৯৫৫ ইং

دفتر آل آسام تنظیم مدارس قومیہ
نیل باگان - نوگاؤں - آسام

Ref.............................

Date.............................

**৬ মহৰম ১৪৩৫ হিজৰী মুতাবিক ১০ ডিচেম্বৰ ২০১৩ ইং ৰবিবাৰে অনুষ্ঠিত তন্‌জিম মাদাৰিছে কৌমিয়াৰ সাধাৰণ পৰিষদৰ বৈঠকত গৃহীত ১২ নং প্ৰস্তাৰ মৰ্মে তন্‌জিম বৰ্ডত নতুনকৈ অন্তৰ্ভূক্তিৰ বাবে আবেদন কৰা বানাত মাদ্ৰাছাসমূহৰ বাবে জৰুৰী**

# চৰ্তাবলী

১। আবেদনকাৰী মাদ্ৰাছাখন কমেও ছাফেলা আওৱাল জামাতলৈকে থাকিব লাগিব।

২। আবেদন সন্নিলিত এখন দৰ্খাস্থ "সাধাৰণ সম্পাদক" সদৌ অসম তন্‌জিম মাদাৰিছ কৌমীয়া নীলবাগান নগাওঁ (অসম)ৰ ঠিকনাত জমা দিব লাগিব।

৩। সংশ্লিষ্ট এলেকাৰ তন্‌জিম প্ৰতিনিধি অথবা বৰ্ডৰ কাৰ্য্যকৰী কমিটিৰ সদস্যৰ চুপৰিশ নামা দৰ্খাস্থৰ লগত গাঁথি দিব লাগিব।

৪। স্থানীয় জিলা জমিয়তৰ সভাপতি / সম্পাদকৰ দ্বাৰা মাদ্ৰাছাখন স্বীকৃতি প্ৰাপ্ত হ'ব লাগিব।

৫। নিচেই ওচৰৰ কমেও দুখন মাদ্ৰাছাৰ আপত্তি বিহীন (N.O.C) চাৰ্টিফিকেট জমা দিব লাগিব।

৬। তন্‌জিম ব'ৰ্ডৰ অন্তৰ্ভূক্তিৰ বিষয়ে মাদ্ৰাছা পৰিচালনা কমিটিৰ বৈঠকত গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি (সভাপতিৰ স্বাক্ষৰ ও মোহৰযুক্ত) গাঁথি দিব লাগিব।

৭। যিডোখৰ মাটিত মাদ্ৰাছাখন অৱস্থিত, সেই মাটিডোখৰৰ চৰকাৰী দলিল/(S.D.C.)ৰ পট্টা নাইবা মাটি মালিকৰ পৰা ষ্টাম্পৰ উপৰত ৱাকফনামাৰ কপি দৰ্খাস্তৰ লগত গাঁথি দিব লাগিব।

৮। তিনি বছৰৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফলৰ কপি দৰ্খাস্থৰ লগত গাঁথি দিব লাগিব।

৯। দৰ্খাস্তকাৰী মাদ্ৰাছাখন নিকটবৰ্ত্তি তন্‌জিমভুক্ত মাদ্ৰাছাৰ পৰা কমেও ৩ কিঃ মিঃ দূৰত্বত অৱস্থিত হব লাগিব।

১০। উল্লিখিত চৰ্তাবলী পূৰণ কৰাৰ পাছত অন্তৰ্ভূক্তিৰ পূৰ্বে মাদ্ৰাছাখনক তন্‌জিমৰ বছৰেকীয়া পৰীক্ষাত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়া হব। আৰু পৰীক্ষাৰ ফলাফল চাই অন্তৰ্ভূক্তি কৰা বা নকৰাৰ চুড়ান্ত সিদ্ধান্ত লোৱা হব।

১১। কোনো সদাশয় ব্যক্তিয়ে ব্যক্তিগত তত্বাৱধানত প্ৰতিষ্ঠা কৰা মাদ্ৰাছা যদি তন্‌জিমৰ নিৰ্ধাৰিত নীতি মালাৰ আওতাত নপৰে, কিন্তু মাদ্ৰাছা কৰ্তৃপক্ষই শৈক্ষিক উন্নতিৰ বাবে মাদ্ৰাছাখনক তন্‌জিমৰ লগত জড়িত কৰিব খোজে, তেনে মাদ্ৰাছা তলত দিয়া চৰ্ত সাপেক্ষে তন্‌জিমৰ অন্তৰ্ভূক্ত কৰা হব।

   ক) কেৱল শৈক্ষিক উন্নতিৰ প্ৰগ্ৰামবোৰত অংশ গ্ৰহণ কৰাৰ অনুমতি দিয়া হব।

   খ) অন্যান্য সা-সুবিধা যেনে- আৰ্থিক অনুদান, প্ৰমাণ পত্ৰ, মাদ্ৰাছাৰ তালিকাত নাম সন্নিৱিষ্ট আদিৰ পৰা বিৰত ৰখা হব।

১২। ঈদোজ্জোহাৰ পিচত আৰু ৰবিউচ্ছানীৰ আগত উপৰোক্ত তথ্যপাতি সহ তন্‌জিম কাৰ্য্যালয়ত দৰ্খাস্থ দাখিল কৰিব লাগিব।

১৩। প্ৰতিখন বানাত মাদ্ৰাছাত মোহৰিম জিম্মাদাৰৰ এটি যুটি থাকিব লাগিব যিসকলৰ মাজত মাদ্ৰাছাখন সম্পূৰ্ণ দ্বিনদাৰীৰ উপৰত প্ৰতিষ্ঠিত কৰাৰ যোগ্যতা থাকিব লাগিব।

১৪। প্ৰতিখন বানাত মাদ্ৰাছাত কমেও দুগৰাকী শিক্ষয়িত্ৰী শিক্ষাদানত ব্ৰতী থাকিব লাগিব।

১৫। ছাত্ৰীৰ অনুপাতে মাদ্ৰাছা চৌহদত পেচাব, পাইখানা, অজুৰ ব্যৱস্থা তথা নামাজ আদায়ৰ সু-ব্যৱস্থা থাকিবই লাগিব।

১৬। মাদ্ৰাছা চৌহদত পৰ্দাৰ সু-ব্যৱস্থা থাকিব লাগিব।

১৭। শিক্ষাদানৰ ক্ষেত্ৰত পৰ্দাৰ পূৰ্ণ ব্যৱস্থা থকাটো অতি জৰুৰী। কোনো পদ্যেই পৰ্দাৰেজী কৰাটো নচলিব।

১৮। পৰীক্ষাৰ সুবিধাৰ্থে তন্‌জিমে নিৰ্ধাৰণ কৰি দিয়া কেন্দ্ৰতহে পৰীক্ষাত অংশ গ্ৰহণ কৰাটো বাধ্যতামূলক হব।

১৯। কাৰ্য্যালয়ত দৰ্খাস্থ জমা নকৰালৈকে পৰিদৰ্শনৰ অনুমতি দিয়া নহয়। তেনে ৰিপৰ্ট বিধিগত ভাবে অগ্ৰহ্য হ'ব।

বিনীত

(মৌলানা) আব্দুল কাদিৰ কাছিমী
সাধাৰণ সম্পাদক
সদৌ অসম তন্‌জিম মাদাৰিছে কৌমিয়া
নীলবাগান ঃ নগাওঁ ঃ অসম